দেশৰ x আৰু y দ্ৰব্যৰ উৎপাদনৰ পৰা ৮ এককৈ লাভ আহৰণ কৰিছে। বাণিজ্যৰ ফলস্বৰূপে A দেশখনে x দ্ৰব্য অতিৰিক্তভাৱে ১৬ একক দ্ৰব্য আহৰণ কৰিছে আৰু ৮ একক y দ্ৰব্য হেৰুৱাইছে আৰু সেইবাবে বাণিজ্যৰ পৰা শুদ্ধ আহৰণ হ'ল ৮ একক x দ্ৰব্য। একেদৰে B দেশখনৰ শুদ্ধ আহৰণ হ'ল ৮ একক y দ্ৰব্য।

এই সংস্থাপিত তত্বটো অনুসৰি পৃথিৱীৰ বিভিন্ন দেশৰ মাজত সংঘটিত হোৱা বাণিজ্যৰ এক বৃহৎ অংশ এনে পূৰ্ণ ব্যয়ৰ পাৰ্থক্যৰ বাবে হয়।

**সমালোচনা (Criticism) ঃ**

কোনো সন্দেহ নাই যে আদাম স্মিথে আন্তঃৰাষ্ট্ৰীয় লেনদেনৰ ভিত্তিত আপেক্ষিক ব্যয় সুবিধা নীতিৰ ব্যাখ্যা সুন্দৰভাৱে আগবঢ়াইছিল যদিও তেখেতৰ তত্বৰ কিছুমান দুৰ্বলতা দেখিবলৈ পোৱা যায়। সেইবিলাক হ'ল প্ৰথমে এই তত্বই ধৰি লৈছে যে ৰপ্তানীকাৰী দেশখনৰ ৰপ্তানিকৃত দ্ৰব্যটো উৎপাদন কৰাৰ ক্ষেত্ৰত আপেক্ষিক ব্যয়ৰ সুবিধা আছে। কিন্তু এই অভিধাৰণা সঁচা নহ'বও পাৰে, কিয়নো যেতিয়া এখন দেশৰ এটা দ্ৰব্য উৎপাদন কৰাৰ ক্ষেত্ৰত কোনো বিশেষ সুবিধা নাথাকিলেও আপেক্ষিক সুবিধা থাকে। বেছিভাগ পাছপৰা দেশৰে অনুপযুক্ত শ্ৰম আৰু যন্ত্ৰ পাতি থাকে, তেতিয়া কোনো উৎপাদনৰে আপেক্ষিক সুবিধা আহৰণ নকৰে। সেইবাবে আপেক্ষিক ব্যয়ৰ নীতিয়ে সন্তোষজনক আৰু সম্পূৰ্ণ ব্যাখ্যা আগবঢ়াব পৰা নাই (বিভিন্ন দেশৰ মাজত সংঘটিত হোৱা ব্যৱসায়ৰ ভিত্তি ব্যাখ্যা আগবঢ়োৱাৰ ক্ষেত্ৰত)

দ্বিতীয়তে, আদাম স্মিথে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংঘটিত হোৱাৰ মৌলিক ভিত্তিৰ ব্যাখ্যা খুব সৰলভাৱে দাঙি ধৰিছে। কিন্তু আপেক্ষিক ব্যয়ৰ সুবিধাই দুখন বা তাতোধিক দেশৰ মাজত বাণিজ্যই প্ৰভাৱ পেলোৱা জটিল উপাদানবিলাকৰ সঠিক ব্যাখ্যা আগবঢ়াব পৰা নাই।

তৃতীয়তে, আদাম স্মিথৰ ৰাহি উৎপাদনৰ ব্যাখ্যা সন্তোষজনক নহয়। স্মিথৰ এই ব্যাখ্যাই পাছপৰা দেশৰ অৰ্থনৈতিক বৃদ্ধিত বেয়া প্ৰভাৱ পেলায়। এই দেশবিলাকে উৎপাদনৰ ৰাহি অংশ বিলাক বিদেশৰ বজাৰত বিক্ৰি কৰিব নোৱাৰে, কিন্তু ঘৰুৱা নাটনিৰ স্বত্বেত পৰিশোধৰ ঘাটিৰ সমতা পূৰণৰ বাবে ৰপ্তানি কৰিবলগীয়া হয়।

**ডেভিদ ৰিৰ্কাডৰ তুলনামূলক ব্যয় তত্ব (David Ricardo's Theory or comparative Cost Advantage) ঃ**

অৰ্থনীতিবিদ ডেভিড ৰিৰ্কাড'ই বিশ্বাস কৰিছিল যে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংঘটিত হয় তুলনামূলক ব্যয়ৰ বাবেহে, আপেক্ষিক ব্যয়ৰ সুবিধাৰ বাবে নহয়। এখন দেশে কোনো

এটা দ্ৰব্য উৎপাদনত বিশেষীকৰণ কৰিব পাৰে, যিটো দ্ৰব্যৰ উৎপাদন ব্যয় তুলনামূলকভাৱে আন দেশৰ তুলনাত কম হয় আৰু যিটো দ্ৰব্য উৎপাদনত আপেক্ষিকভাৱে কম সুবিধা আছে সেইবিলাক দ্ৰব্য অন্য দেশৰ পৰা আমদানি কৰিব লাগে। উদাহৰণস্বৰূপে ধৰাহওঁক ভাৰতবৰ্ষত কম্পিউটাৰ প্ৰস্তুত কৰোতে অধিক ব্যয় হয় আৰু জাপানত ধান উৎপাদনত অধিক ব্যয় হয়, তেতিয়া দুয়োখন দেশেই নিশ্চিতভাৱে ধান আৰু কম্পিউটাৰ বিনিময়ৰ ফলস্বৰূপে লাভৱান হ'ব। ৰিকাডৰ তুলনামূলক ব্যয় তত্ব তলৰ অভিধাৰণা কেইটাৰ ওপৰত প্ৰতিষ্ঠিত-

১/ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত চৰকাৰৰ কোনো হস্তক্ষেপ নাথাকিব।

২/ দ্ৰব্য আৰু উপাদানৰ বজাৰত পূৰ্ণপ্ৰতিযোগিতা দেখিবলৈ পোৱা যায়।

৩/ অৰ্থনীতিখন স্থৈতিক, অৰ্থাৎ উপাদানৰ যোগান, উপাদনৰ কৌশল, ভোক্তাৰ ৰুচি আৰু অভিৰুচিৰ কোনো পৰিবৰ্তন নহয়।

৪/ উপাদন কাৰ্য সমগোত্ৰীয় আৰু প্ৰথম মাত্ৰা। অৰ্থাৎ উপাদানৰ নিয়োগৰ সমানে উৎপাদন পৰিৱৰ্তন হয়। আনকথাত উৎপাদন কাৰ্যত সমাহাৰ প্ৰতিদান বিধি প্ৰযোজ্য হয়।

৫/ শ্ৰম হ'ল উৎপাদনৰ একমাত্ৰ উপাদান আৰু দ্ৰব্যৰ উপাদন ব্যয় শ্ৰমিকৰ এককৰ সহায়ত প্ৰকাশ কৰা হয়।

৬/ দেশৰ ভিতৰতে শ্ৰমৰ পূৰ্ণচলনশীলতা আছে কিন্তু বিভিন্ন দেশৰ মাজত পূৰ্ণচলনশীলতা নাই।

৭/ দেশ দুখনৰ মাজত দুটা দ্ৰব্য বিনিময় হয়।

৮/ দুয়োখন দেশতে সম্পদৰ পূৰ্ণ নিয়োগ আছে।

এই অভিধাৰণাৰ ভিত্তিত দুটা দ্ৰব্য আৰু দুখন দেশৰ আৰ্হি তলৰ তালিকাৰ সহায়েৰেও দেখুৱাব পাৰি-

| দেশ | প্ৰতি একক দ্ৰব্যৰ শ্ৰম ব্যয় | |
|---|---|---|
| | x দ্ৰব্য | y দ্ৰব্য |
| A | 24 | 21 |
| B | 32 | 25 |

**(১) শ্ৰমৰ মূল্য তত্বৰ অভিধাৰণাৰ প্ৰযোজ্যতা** (Assumption of the Validity of labour theory of Value) ঃ

ৰিৰ্কাডোৰ তত্বৰ দুৰ্বল অংশটো হ'ল তুলনামূলক শ্ৰমৰ ব্যয়ৰ যোগেদি দ্ৰব্যৰ বিনিময় কৰা হয় বুলি ধৰি লোৱা হৈছে। এই তত্বই স্পষ্ট আৰু অস্পষ্টভাৱেই হওক কিছুমান ভুল অভিধাৰণাৰ ওপৰত নিৰ্ভৰ কৰিছে, যেনে-উৎপাদনৰ একমাত্ৰ উপাদান হ'ল শ্ৰম, শ্ৰম সমগুণ সম্পন্ন আৰু শ্ৰম আৰু মূলধন সকলো দ্ৰব্যৰ উৎপাদনত সমান পৰিমাণে নিয়োগ কৰা হয়। কেৱল শ্ৰমৰ মূল্য তত্ব অগ্ৰহণযোগ্য হোৱাইনহয়, ইয়াৰ অভিধাৰণাবিলাকো অবাস্তৱ আৰু অপ্ৰযোজ্য। অনান্য উপাদানে উৎপাদনত গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই। সেইবাবে মুঠ ব্যয় হিচাপ কৰোতে শ্ৰম আৰু অনা-শ্ৰম ব্যয় দুয়োটাই অন্তৰ্ভূক্ত কৰাটো উচিত। আৰ্ন্তজাতিক ক্ষেত্ৰত দ্ৰব্যসামগ্ৰী বিনিময়ৰ নিৰ্ধাৰণ শ্ৰমৰ ব্যয়তকৈ মুদ্ৰা ব্যয়ৰ ভিত্তিত কৰা উচিত।

**(২) পূৰ্ণ প্ৰতিযোগিতাৰ অভিধাৰণা** (Assumption of Perfect Competition) ঃ

ৰিৰ্কাডো মিলৰ তুলনামূলক সুবিধাই দ্ৰব্য আৰু উপাদানৰ বজাৰত পূৰ্ণ প্ৰতিযোগিতা আছে বুলি ধৰি লৈছে। অনা প্ৰতিযোগী গোট আৰু অপূৰ্ণ উপাদানৰ চলনশীলতা থকা দিশৰ পৰা ক'ব পাৰি যে, দ্ৰব্যৰ আৰু উপাদানৰ বজাৰত অপূৰ্ণ প্ৰতিযোগিতাহে দেখিবলৈ পোৱা যায়। তাওগ্ৰীছে সংস্থাপিত তত্বটোক প্ৰতিবাদ জনাই কৈছে কেৱল অনা-প্ৰতিযোগী গোটৰ অৱস্থিতিয়ে সংস্থাপিত তত্বটোক আৰু প্ৰতিযোগিতাৰ চৰ্তক কলুষিত কৰিব নোৱাৰে, আপেক্ষিক মাত্ৰাৰ মজুৰি বিভিন্ন দেশত একে হয়। ই সত্য হ'ব তেতিয়া, যদিহে বিভিন্ন দেশত শ্ৰম আৰু উন্নতমানৰ প্ৰযুক্তি পৰ্যায়ক একেলগে স্তৰীভূত কৰিব পাৰি। এনে পৰিস্থিতি বাস্তৱ জীৱনত দেখিবলৈ পোৱা নাযায় আৰু ই সংস্থাপিত বাণিজ্য তত্বক নিন্দা কৰে।

**(৩) স্থৈতিক প্ৰকৃতিৰ তত্ব** (Static nature of the theory) ঃ

তুলনামূলক ব্যয় তত্বৰ সাধাৰণতে স্থৈতিক প্ৰকৃতিৰ। ই কিছুমান স্থৈতিক অভিধাৰণাৰ ওপৰত নিৰ্ভৰ কৰে, যেনে, নিৰ্দিষ্ট উৎপাদন কাৰ্য, ভোক্তাৰ ৰুচিৰ কোনো পৰিবৰ্তন নহয়, উপাদানৰ সম্পদ স্থিৰ, উদ্যোগৰ গাঁথনিৰ কোনো পৰিবৰ্তন নহয় আদি। বাস্তৱ ক্ষেত্ৰত আৰু পৰিবৰ্তনশীল বাস্তৱ ক্ষেত্ৰত, ৰুচি, প্ৰযুক্তি, উপাদানৰ অনুপাত, প্ৰাকৃতিক সম্পদৰ উন্নয়ন আৰু উদ্যোগৰ গাঁথনিৰ পৰিবৰ্তন হয়। এনে পৰিস্থিতি ৰিৰ্কাডোৰ তত্ব অপ্ৰাসংগিক।

**বাণিজ্যৰ পৰা আহৰণ ঃ (Gains from trade)**

তুলনামূলক ব্যয় তত্বই, দুখন দেশৰ ব্যয়ৰ অনুপাত সমান নোহোৱাৰ বাবে দেশদুখনে বাণিজ্যৰ পৰা লাভ আহৰণ কৰে। ওপৰৰ তালিকাৰ ভিত্তিত A দেশখনে x দ্ৰব্যৰ উৎপাদনত আৰু B দেশখনে y দ্ৰব্যৰ উৎপাদনত বিশেষীকৰণ লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ অনুপস্থিতিত দেশ দুখনত দ্ৰব্যদুবিধৰ ঘৰুৱা বিনিময়ৰ অনুপাত হ'লঃ

A দেশখনৰ অনুপাত হ'ল ঃ

এক একক $x = \frac{24}{21}$ অথবা 1.14 একক y দ্ৰব্য

B দেশখনৰ অনুপাত হ'ল ঃ

এক একক $y = \frac{25}{32}$ অথবা 0.78 একক x দ্ৰব্য

... COLLEGE LIBRARY ... Dabok
1056
330

যদি দেশ দুখনৰ মাজত বাণিজ্য সংঘটিত হয়, দেশ দুখনে এক একক x দ্ৰব্যৰ বিনিময়ত এক একক y দ্ৰব্যৰ বাবে সন্মত হ'ব। বাণিজ্যৰ ফলস্বৰূপে A দেশখনে প্ৰতি একক x দ্ৰব্যৰ বিপৰীতে 0.14 একক y দ্ৰব্য লাভ কৰিব। B দেশখনৰ ক্ষেত্ৰত বাণিজ্যৰ ফলস্বৰূপে প্ৰতি একক y দ্ৰব্যৰ বিপৰীতে 0.22 একক x দ্ৰব্য লাভ কৰিব। এইদৰে তুলনামূলক ব্যয় পাৰ্থক্যৰ বাবে দুয়োখন দেশেই লাভান্বিত হয়।

**তুলনামূল ক ব্যয় তত্বৰ মূল্যাঙ্কণ ঃ**

তুলনামূলক ব্যয় তত্বই প্ৰথম বিশ্বযুদ্ধৰ আগলৈকে আন্তৰাষ্ট্ৰীয় বাণিজ্যৰ ব্যাখ্যা আগবঢ়োৱাত অতি স্পষ্ট আৰু বহু সমাদৃত তত্ব হিচাপে পৰিচিত আছিল। আনকি পাছৰ সময়ছোৱাতো আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ বিষয়ত ব্যাপক উন্নতি হৈছিল। তুলনামূলক ব্যয় তত্বৰ ভিত্তিতেই ৰিকাৰ্ডো আৰু মিলে তত্বৰ গাঁথনি সামান্য পৰিবৰ্তন ঘটাই ব্যাখ্যা দি নিখুঁত কৰিব বিচাৰিছিল। এই প্ৰসংগত চেমুৱেলছনে মন্তব্য দি কৈছিল, "যদি তত্ববিলাক ছোৱালী হয়; সৌন্দৰ্য প্ৰতিযোগিতাত জয়ী হ'ব পাৰিব, আৰু তুলনামূলক ব্যয় সুবিধাৰ হাৰ যদি নিশ্চিতভাৱে বেছি হয়, তেতিয়া ই যুক্তিপূৰ্ণভাৱে সুন্দৰ গাঁথনি হ'ব।" তুলনামূলক ব্যয়ৰ সুবিধা তত্বৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সত্যৰ জিলিকণি দেখিবলৈ পোৱা যায়- যদি এখন দেশে তুলনামূলক ব্যয়ৰ সুবিধাক এৰাই চলে, তেতিয়া দেশখনে জীৱন নিৰ্বাহৰ মানদণ্ডৰ ক্ষেত্ৰত আৰু বৃদ্ধিৰ সম্ভাব্য হাৰৰ বাবে উচ্চ দৰ বহণ কৰিবলগা হয়।

যদিও তত্বটোৰ ভাল আৰু যুক্তিপূৰ্ণ গাথনি আছে, তথাপি কিছুমান ইয়াৰ স্পষ্ট দোষ এৰাই চলিব পৰা নাযায়। এই তত্বটোক গ্ৰাহাম ফ্ৰাংক আৰু বাটিল অলিনৰ দৰে বহুতো অৰ্থনীতিবিদে সমালোচনা কৰিছে। এই তত্বৰ প্ৰধান দোষ বিলাক হ'ল-

ওপৰৰ তালিকাত A দেশখনৰ দুয়োটা দ্ৰব্য উপাদনতে কম পৰিমাণৰ শ্ৰমৰ জৰিয়তে B দেশৰ তুলনাত আপেক্ষিক সুবিধা আছে। আপেক্ষিকভাৱে A দেশখনত x দ্ৰব্যৰ উপাদন আৰু ৰপ্তানি বিশেষীকৰণত আপেক্ষিক সুবিধা আছে আৰু B দেশখনত y দ্ৰব্য উৎপাদন আৰু ৰপ্তানিত বিশেষীকৰণৰ সুবিধা আছে।

A দেশখনত x আৰু y দ্ৰব্যৰ ঘৰুৱা বিনিময়ৰ অনুপাত হ'ল 24:21 অৰ্থাৎ এক একক x দ্ৰব্যৰ বিনিময়ত $\frac{24}{21}$ অথবা 1.14 এককৰ সমান y আহৰণ কৰিছে। বিকল্প হিচাপে এক একক y ৰ বিনিময়ত $\frac{21}{24}$ অথবা 0.88 একক x দ্ৰব্য লাভ কৰিব।

B দেশখনত x আৰু y দ্ৰব্যৰ ঘৰুৱা বিনিময়ৰ অনুপাত হ'ল 32:25 অৰ্থাৎ ১ একক x দ্ৰব্যৰ বিপৰীতে $\frac{32}{25}$ অথবা 1.28 একক y আহৰণ কৰিছে। বিকল্পভাৱে এক একক y ৰ বিনিময়ত $\frac{25}{32}$ অথবা 0.78 একক x দ্ৰব্য আহৰণ কৰিছে। x দ্ৰব্যৰ তুলনামূলক ব্যয়ৰ অনুপাত হ'ল $\frac{24}{32}=0.75$ আৰু y দ্ৰব্যৰ $\frac{21}{25}=0.84$ । A দেশখনত এক একক x দ্ৰব্য উৎপাদনত B দেশৰ তুলনাত $0.75\times100=75\%$ প্ৰচেষ্টা কৰিব আৰু অন্যহাতেদি A দেশখনে B দেশখনৰ এক একৰ y দ্ৰব্যৰ উৎপাদনত $0.84\times100=84\%$ প্ৰচেষ্টা চলাব। ই ইয়াকে দেখুওৱাইছে যে A দেশখনত দুয়োটা দ্ৰব্য উৎপাদনতে তুলনামূলকভাৱে সুবিধা আছে। তেতিয়াও B দেশখনত y দ্ৰব্যৰ উৎপাদনত তুলনামূলক সুবিধা আছে। য'ত A দেশখনত এক একক x দ্ৰব্যৰ উৎপাদনত $\frac{32}{24}\times100=133.3\%$ প্ৰচেষ্টাৰ প্ৰয়োজন হয় আৰু y দ্ৰব্যৰ উৎপাদনত $\frac{25}{21}\times100=119\%$ প্ৰচেষ্টাৰ প্ৰয়োজন হয়। এই ক্ষেত্ৰত B দেশখনে y দ্ৰব্যৰ উৎপাদন কৰাত তুলনামূলক সুবিধা আছে। ঠিক একেদৰে A দেশখনে x দ্ৰব্যৰ উৎপাদনত তুলনামূলক সুবিধা আছে।

জ্যামিতিকভাৱে ধৰাহওঁক A দেশখনত x দ্ৰব্য উৎপাদনত শ্ৰমৰ ব্যয় $A_1$ আৰু B দেশখনত $a_2$ । y দ্ৰব্যৰ উৎপাদনত A আৰু B দেশখনৰ শ্ৰম ব্যয় হ'ল ক্ৰমে $a_3$ আৰু $a_4$। চৰম ব্যয়ৰ পাৰ্থক্য তলত দিয়াৰ দৰে জুখিব পাৰি ঃ

$$\frac{a_1}{a_2} < 1 < \frac{a_3}{a_4}$$

ই ইয়াকে দেখুওৱা যে A দেশখনত x দ্ৰব্য উৎপাদনত চৰম সুবিধা আছে আৰু B দেশখনত y দ্ৰব্য উৎপাদনৰ ক্ষেত্ৰত চৰম সুবিধা আছে।

তুলনামূলক ব্যয় পাৰ্থক্য তলত দিয়াৰ দৰে দেখুৱাব পাৰি-

$$\frac{a_1}{a_2} < \frac{a_3}{a_4} < 1$$

যদি $\frac{a_1}{a_2} = \frac{a_3}{a_4}$ হয়, তেতিয়া ব্যয়ৰ পাৰ্থক্য সমান হয় আৰু দেশ-দুখনৰ মাজত কোনো বাণিজ্য সংঘটিত হোৱাৰ সম্ভাৱনা নাথাকে।


ওপৰৰ তালিকাই তুলনামূলক ব্যয় পাৰ্থক্যৰ চৰ্ত পূৰণ কৰিব পাৰিছে-

$$\frac{a_1}{a_2} < \frac{a_3}{a_4} < 1$$

$$\frac{24}{32} < \frac{21}{25} < 1$$

তুলনামূলক ব্যয়ৰ পাৰ্থক্যক তলৰ চিত্ৰৰ সহায়েৰেও ব্যখ্যা কৰিব পাৰি ঃ

কাষৰ চিত্ৰত $AA_1$ আৰু $BB_1$ হ'ল A আৰু B দেশখনৰ উৎপাদন সম্ভাৱনীয়তা ৰেখা। নিৰ্দিষ্ট পৰিমাণৰ উৎপাদনশীল সম্পদেৰে A দেশখনে B দেশতকৈ দুয়োটা দ্ৰব্যই বেছি পৰিমাণে উৎপাদন কৰিব পাৰে। অৰ্থাৎ A দেশখনত B দেশখনতকৈ দুয়োটা দ্ৰব্য উৎপাদনৰ ক্ষেত্ৰত আপেক্ষিক ব্যয়ৰ সুবিধা আছে। যদি $BB_1$ ৰ




সমান্তৰালকৈ $BC_1$ ৰেখা টনা হয়, $BC_1$ ৰেখাই হ'ব A দেশখনৰ উৎপাদন সম্ভাৱনীয়তা ৰেখা। যদি A দেশখনে OB পৰিমাণৰ y দ্ৰব্য উৎপাদন নকৰি সকলো সম্পদ x দ্ৰব্য উৎপাদনত নিয়োগ কৰে, তেতিয়া ই $oc_1$ পৰিমাণৰ x দ্ৰব্য $OB_1$ তকৈ বেছি উৎপাদন কৰিব পাৰিব। অৰ্থাৎ A দেশখনৰ x দ্ৰব্যৰ উৎপাদনত তুলনামূলক ব্যয়ৰ সুবিধা আছে। B দেশখনৰ ক্ষেত্ৰতো কম পৰিমাণে $OB_1$ পৰিমাণৰ x দ্ৰব্য উৎপাদন নকৰি OB পৰিমাণৰ y দ্ৰব্য উৎপাদন কৰিব পাৰে। অৰ্থাৎ B দেশখনৰ ক্ষেত্ৰত y দ্ৰব্যৰ উৎপাদনত তুলনামূলক ব্যয়ৰ সুবিধা আছে। তুলনামূলক ব্যয়ৰ সুবিধা অনুসৰি A দেশখনে x দ্ৰব্যৰ উৎপাদনত আৰু ৰপ্তানিত বিশেষীকৰণ আহৰণ কৰে আৰু B দেশখনে y দ্ৰব্যৰ উৎপাদন আৰু ৰপ্তানিত বিশেষীকৰণ আহৰণ কৰে।